# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 07-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ফিনটেক, মহাকাশ আৰু কৃত্রিম বুদ্ধিমত্তাকে ধৰি বিভিন্ন ক্ষেত্রত লাক্সেমবার্গৰ সৈতে ভাৰতৰ সহযোগিতা বৃদ্ধিৰ অপাৰ সম্ভাৱনা আছে বুলি বৈদেশিক পৰিক্রমা মন্ত্রী ড০ এছ্ জয়শংকৰে মন্তব্য কৰিছে।

২। তথ্য আৰু সম্প্রচাৰ মন্ত্র্যালয়ৰ অধীনৰ ষ্টাৰ্টআপ উদ্যম wave x-এ উদ্ভাৱন, ইনকুবেচন, সংবাদ মাধ্যম, মনোৰঞ্জন, সম্প্রচাৰ আৰু যোগাযোগ প্রযুক্তি খণ্ডত উদ্যমিতা আদি শক্তিশালী কৰাৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে।

৩। নীটি আয়োগে চলিত বিত্তীয় বৰ্ষৰ কাম-কাজ সম্পৰ্কীয় ত্রিমাসিক প্রতিবেদন-ট্রেড ৱাচৰ পঞ্চম সংস্কৰণ প্রকাশ কৰিছে।

৪। NIFT-য়ে ফেশ্বন ডিজাইন, ব্যৱস্থাপনা আৰু প্রযুক্তিৰ বিভিন্ন স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্রমৰ বাবে ২০২৬-২৭ বৰ্ষৰ আবেদন প্র-পত্র দাখিলৰ অন্তিম দিন ১৩ জানুৱাৰীলৈ বৃদ্ধি কৰিছে। *আৰু*

৫। পাঞ্জাৱত কালি দুটা পৃথক অভিযানত আৰক্ষীয়ে অস্ত্র-শস্ত্র আৰু গুলী-বাৰুদ আৰু নিষিদ্ধ ঔষধসহ ৭ জনক গ্রেপ্তাৰ কৰে।

০০০০০

বৈদেশিক পৰিক্রমা মন্ত্রী ড০ এছ্ জয়শংকৰে কৈছে যে লাক্সেমবার্গ ভাৰতৰ এখন অত্যন্ত গুৰুত্বপূর্ণ সহযোগী ৰাষ্ট্র আৰু ফিনটেক, মহাকাশ আৰু কৃত্রিম বুদ্ধিমত্তাকে ধৰি বিভিন্ন ক্ষেত্রত দেশখনৰ সৈতে সহযোগিতা বৃদ্ধিৰ অপাৰ সম্ভাৱনা আছে। ছদিনীয়া কাৰ্যসূচীৰে ফ্রান্স আৰু লাক্সেমবার্গলৈ যোৱা ড০ জয়শংকৰে লাক্সেমবার্গ ভ্ৰমণৰ সময়ত এইবুলি মন্তব্য কৰে। এই ভ্ৰমণৰ সময়ত ড০ জয়শংকৰে দেশখনৰ প্রধানমন্ত্রী ল্যুক ফ্রিডেন আৰু উপ-প্রধানমন্ত্রী তথা বিদেশ মন্ত্রী জেভিয়াৰ বেটেলৰ সৈতে বৈঠকত মিলিত হয়।

ড০ জয়শংকৰে কয়, যে লাক্সেমবার্গ কেৱল এখন দ্বিপাক্ষিক সহযোগী ৰাষ্ট্রই নহয় বৰং ইউৰোপীয় সংঘৰ সৈতে বিশেষকৈ ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্রত দেশখনে গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। এই সাক্ষাতৰ সময়ত বিত্তীয় সেৱা, বিনিয়োগ, প্রযুক্তি, ডিজিটেল সেৱা আৰু উদ্ভাৱনৰ ক্ষেত্রত উভয় দেশৰ মাজৰ বৰ্ধিত সহযোগিতাক লৈ আলোচনা কৰা হয়। তেওঁ লগতে ভাৰত-ইউৰোপীয় সংঘৰ মাজত শক্তিশালী সম্বন্ধ গঢ়ি তোলাৰ ক্ষেত্রত আগবঢ়োৱা সহায়-সমৰ্থৰ বাবে প্রধানমন্ত্রী ল্যুকক ধন্যবাদ জ্ঞাপন কৰে। ড০ জয়শংকৰে ৰাষ্ট্রপতি শ্রীমতী দ্রৌপদী মুৰ্মু আৰু প্রধানমন্ত্রী নৰেন্দ্র

মোদীৰ হৈ তেওঁলোকক অভিনন্দন জনায়। এই ভ্ৰমণৰ সময়ত ড০ জয়শংকৰে লাক্সেমবাৰ্গত থকা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰাৰ কথা আছে।

ooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অধীনৰ ষ্টাৰ্টআপ উদ্যম WAVE X-এ উদ্ভাৱন, ইনকুবেচন অৰ্থাৎ অনুকুল পৰিৱেশত বীজাণুৰ বিকাশ ঘটোৱা কাৰ্য, সংবাদ মাধ্যম, মনোৰঞ্জন, সম্প্ৰচাৰ আৰু যোগাযোগ প্ৰযুক্তি খণ্ডত উদ্যমিতা আদি শক্তিশালী কৰাৰ উদ্দেশ্যে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ফাউণ্ডেচন ফৰ ইন'ভেচন এণ্ড টেকন'ল'জী ট্ৰান্সফাৰ চমুকৈ এফ আই টি টি, আই আই টি দিল্লীৰ সৈতে এই বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। এই চুক্তি স্বাক্ষৰৰ সময়ত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজু উপস্থিত আছিল। এই উপলক্ষে দিয়া ভাষণত শ্ৰীজাজুৱে কয়, যে সংবাদ মাধ্যম আৰু মনোৰঞ্জন প্ৰযুক্তি খণ্ডত উদ্ভাৱনৰ দিশত WAVE X গুৰুত্বপূৰ্ণ অনুঘটক হিচাপে বিবেচিত হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই চুক্তিৰ অধীনত এফ আই টি টি আৰু আই আই টি দিল্লীয়ে WAVE X-ৰ কাৰ্যসূচীসমূহৰ সম্প্ৰসাৰণ তথা ৰূপায়ণৰ ক্ষেত্ৰত সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াব।

ooooo

নীতি আয়োগে চলিত বিত্তীয় বৰ্ষৰ কাম-কাজ সম্পৰ্কীয় ত্ৰিমাসিক প্ৰতিবেদন-ট্ৰেড ৱাচৰ পঞ্চম সংস্কৰণ প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি প্ৰকাশ কৰা এই শেহতীয়া সংস্কৰণত ভাৰতৰ ব্যৱসায়িক দিশত হৈ থকা গাঁথনিগত পৰিৱৰ্তনৰ বিষয়ে প্ৰকাশ কৰা হৈছে। প্ৰতিবেদনখনত এইবুলি কোৱা হৈছে যে বৰ্তমান প্ৰযুক্তিগত ৰপ্তানিৰ ভূমিকা বৃদ্ধি পোৱাৰ লগতে সেৱা খণ্ডৰ বৃদ্ধি পৰিলক্ষিত হৈছে আৰু আমদানিৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এই উপলক্ষে দিয়া ভাষণত নীতি আয়োগৰ সদস্য ডাং অৰবিন্দ ভিৰমানিয়ে কৈছে, যে শেহতীয়া এই প্ৰতিবেদনত পৰিৱৰ্তিত গোলকীয় পৰিস্থিতিত ভাৰতৰ ব্যৱসায়িক স্থিতি মূল্যাংকন কৰা হৈছে।

ooooo

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড০ এল মুৰুগানে কেৰালা কৌমুদী নিয়মীয়া বাতৰি কাকতৰ ক'ট্টায়াম সংস্কৰণৰ বছৰজোৱা ৰূপালী জয়ন্তী উদযাপনৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰে। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে বাতৰি কাকতখনৰ ক'ট্টায়াম সংস্কৰণে ২৫ বছৰ সম্পূৰ্ণ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। বাতৰি কাকতখনে ১৯১১ চনৰে পৰা মালায়ালম সাংবাদিকতালৈ আগবঢ়োৱা গুৰুত্বপূৰ্ণ অৱদানৰ কথা সোঁৱৰে। তেওঁ কয়, যে বিগত কেইবাটাও দশকত এই বাতৰি কাকতখন কেৰালাৰ আগশাৰীৰ বাতৰি কাকত হিচাপে খ্যাতি লাভ কৰিছে আৰু কোনোধৰণৰ আপোচ নকৰাকৈ গণসংযোগৰ ক্ষেত্ৰখনত এই বাতৰি কাকতখনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ড০ মুৰুগানে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সাংবাদিকসকলৰ সৰলীকৰণৰ বাবে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভতো আলোকপাত কৰে।

ooooo

ফেশ্বন টেকন'লজিৰ ৰাষ্ট্ৰীয় প্ৰতিষ্ঠান, NIFT-য়ে ফেশ্বন ডিজাইন, ব্যৱস্থাপনা আৰু প্ৰযুক্তিৰ বিভিন্ন স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে ২০২৬-২৭ বৰ্ষৰ আবেদন পত্ৰ দাখিলৰ অন্তিম দিন চলিত মাহৰ ১৩ তাৰিখলৈ বৃদ্ধি কৰিছে। বস্ত্ৰ মন্ত্ৰালয়ে জনোৱা মতে, হ্ৰাস কৰা মাচুলৰ সুবিধা সৰ্বাধিক প্ৰাৰ্থীয়ে যাতে লাভ কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি

এই সময়সীমা বৃদ্ধি কৰা হৈছে। যোৱা মাহত মন্ত্ৰালয়ে মুকলি, অ'বিচি (NCL) আৰু মুকলি-EWS শাখাৰ প্ৰাৰ্থীৰ বাবে ৩ হাজাৰৰ টকাৰ পৰা ২ হাজাৰ টকা আৰু অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু PWD শাখাৰ প্ৰাৰ্থীৰ বাবে ১ হাজাৰ ৫০০ টকাৰ পৰা ৫০০ টকালৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে এই মাহৰ ১৪ তাৰিখৰ পৰা ১৬ তাৰিখলৈ মাচুল দি প্ৰ-পত্ৰ জমা দিব পাৰিব। ফেব্ৰুৱাৰী মাহৰ ৮ তাৰিখে দেশৰ ১০২খন চহৰত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০

পাঞ্জাৱত কালি দুটা পৃথক অভিযানত আৰক্ষীয়ে অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ আৰু নিষিদ্ধ ঔষধসহ ৭ জনক গ্ৰেপ্তাৰ কৰে। পাঞ্জাব আৰক্ষীৰ কাৰ্যবাহীয়ে সীমা সুৰক্ষা বাহিনীৰ সৈতে অভিযান চলাই অমৃতসৰৰ এখন সীমান্তৱৰ্তী গাঁৱৰ পৰা ২০ কিলোগ্ৰাম হেৰ'ইনসহ চাৰিজন লোকক আটক কৰে। আৰক্ষী সূত্ৰই জনোৱা মতে, দলটোৰ মূল কাৰ্যকাৰীজনৰ পাকিস্তানৰ সৈতে সংযোগ আছিল আৰু সমগ্ৰ অঞ্চলটোত ড্ৰাগছৰ যোগান ধৰি আহিছে। আন এক অভিযানত ব্যথিন্দা আৰক্ষীয়ে অভিযান চলাই চাৰিটা অবৈধ পিষ্টল আৰু ২৬টা সজীৱ কাৰ্টিজসহ তিনিজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি, অভিযুক্তসকলৰ এজনে শেহতীয়াকৈ বিশেষ হত্যাৰ লক্ষ্যৰে কানাডাৰ পৰা ব্যথিন্দালৈ আহিছিল। ঘটনাৰ অধিক তদন্ত এতিয়াও চলি আছে।

০০০০০

ভাৰত শক্তি সপ্তাহ অহা ২৭ জানুৱাৰীৰ পৰা গোৱাত অনুষ্ঠিত হ'ব। এই চাৰিদিনীয়া অনুষ্ঠানত চৰকাৰী বিষয়া, উদ্যোগ জগতৰ কাণ্ডাৰী আৰু উদ্ভাৱকসকলে নিৰাপদ, স্থায়ী আৰু বহনসাধ্য শক্তি ভৱিষ্যতৰ প্ৰসাৰৰ চেষ্টা চলাব। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই অনুষ্ঠানত শক্তি সুৰক্ষা সুদৃঢ় কৰা, বিনিয়োগৰ প্ৰসাৰ আৰু কাৰ্বন নিৰ্গমন কম কৰাৰ বাবে ব্যৱহাৰিক তথা ব্যাপক উপায় বিকশাই তোলাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। আমেৰিকা, ইউৰোপ, মধ্য প্ৰাচ্য, আফ্ৰিকা আৰু এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ প্ৰতিনিধিসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। আন্তঃৰাষ্ট্ৰীয় শক্তি সংস্থাৰ বিশ্ব শক্তি দৃষ্টিভংগী-২০২৫ অনুসৰি, অকল ভাৰততে ২০৫০ চনলৈ শক্তি চাহিদা ২৩ শতাংশৰো অধিক বৃদ্ধি পাব। ভাৰতে দীৰ্ঘকালীন শক্তি সুৰক্ষা বৃদ্ধি কৰাৰ বাবে ঘৰুৱা অন্বেষণ আৰু আন্তঃগাঁথনি সুদৃঢ়কৰণৰ কাম অব্যাহত ৰাখিছে।

০০০০০

কেন্দ্ৰীয় বাজেট ২০২৫-২৬ত কৰা ঘোষণাসমূহ কাৰ্যকৰীকৰণৰ প্ৰতি লক্ষ্য ৰাখি অৰ্থনৈতিক পৰিক্ৰমা বিভাগে তিনি বছৰীয়া ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্ব, পিপিপি প্ৰকল্পৰ পাইপলাইন যুগুত কৰিছে। বিত্ত মন্ত্ৰালয়ে কয় যে, এই প্ৰকল্প পাইপলাইনত কেন্দ্ৰীয় আন্তঃগাঁথনি মন্ত্ৰালয়, ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ৮৫২টা প্ৰকল্প আছে। এই প্ৰকল্পসমূহত ১৭ লাখ কোটি টকাতকৈ অধিক ব্যয় হব। এই পাইপলাইনে বিনিয়োগকাৰী, উন্নয়নত অংশগ্ৰহণকাৰী আৰু অন্যান্য অংশীদাৰসকলক বিশেষভাৱে সহায় কৰিব।

০০০০০

গ্ৰেটাৰ নয়ডাৰ গৌতম বুদ্ধ বিশ্ববিদ্যালয়ত অনুষ্ঠিত এলীট পুৰুষ আৰু মহিলা ৰাষ্ট্ৰীয় বক্সিং চেম্পিয়নশ্বিপত বিশ্ব চেম্পিয়নশ্বিপৰ ব্ৰঞ্জৰ পদক বিজয়ী পূজা ৰাণী আৰু আন্তঃৰাষ্ট্ৰীয় খেলুৱৈ যদুমণি সিঙে সহজ জয়লাভ কৰে যদিও টকিঅ' অলিম্পিকৰ ব্ৰঞ্জৰ পদক বিজয়ী লাভলীনা বৰগোহাঁই আৰু অমিত পংঘলে পৰৱৰ্তী পৰ্যায়ত প্ৰৱেশৰ বাবে কঠোৰ প্ৰত্যাহ্বানৰ সন্মুখীন হয়।

উল্লেখযোগ্য যে, পুৰুষ আৰু মহিলাৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ একেলগে একে স্থানতে প্ৰথম বাৰৰ বাবে অনুষ্ঠিত হৈছে, য'ত দেশৰ বিভিন্ন প্ৰান্তৰ ৬০০ৰো অধিক খেলুৱৈয়ে পুৰুষ আৰু মহিলাৰ ১০টাকৈ ওজন শাখাত অংশগ্ৰহণ কৰিছে।

৭৫-৮০ কিলোগ্ৰাম ওজন শাখাত হাৰিয়ানাৰ পূজাই চণ্ডীগড়ৰ অঞ্জুক ৫-০ ফলাফলত পৰাস্ত কৰি নিজৰ স্থিতি দৃঢ় কৰে। ৫০-৫৫ কিলোগ্ৰাম ওজন শাখাত তামিলনাডুৰ আৰ পাৰ্থিবনৰ বিৰুদ্ধে যদুমণিয়ে জয়লাভ কৰে। আনহাতে অসমৰ লাভলীনা বৰগোহাঁইয়ে ছুইটিক ৩-২ ফলাফলত পৰাজিত কৰে। পুৰুষৰ ৫০-৫৫ কিলোগ্ৰাম শাখাত অমিত পংঘলে হাৰিয়ানাৰ প্ৰিয়াংশুৰ বিৰুদ্ধে খেলি ৩-২ ফলাফলত জয়লাভ কৰে।

০০০০০

সমাপ্ত